**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-SEP-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

ৰাজ্যৰ কেইবাখনো জিলাত পুনৰ বানৰ আশংকাই দেখা দিছে। চুবুৰীয়া ৰাষ্ট্ৰ ভূটানে কালি হঠাৎ কুৰিশ্বু জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ পাছত বেকী নৈৰ জলস্তৰ বৃদ্ধি পাইছে। নৈখনৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত নৈপৰীয়া অঞ্চলসমূহত বানৰ আশংকাই গা কৰি উঠিছে। বাক্সা জিলা প্ৰশাসনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পুৱাৰে পৰা নাৰায়ণগুৰিসহ নৈপৰীয়া অঞ্চলসমূহত সতৰ্কবাণী জাৰি কৰিছে। প্ৰশাসনে নৈৰপৰীয়া জনসাধাৰণক শীঘ্ৰেই নিৰাপদ স্থানলৈ আঁতৰি যাবলৈ আহ্বান জনাইছে। বৰপেটা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ তথা জিলা আয়ুক্তইও বেকী নৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত নৈপৰীয়া লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

ইপিনে, নাগালেণ্ডত হোৱা প্ৰৱল বৰষুণৰ ফলত ভোগদৈ নদীৰ জলস্তৰ বৃদ্ধি হোৱাত উজনিতো বানৰ আশংকাই দেখা দিছে। বান বিধবস্ত চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত জিলা প্ৰশাসনে পুনৰ সতৰ্কতা জাৰি কৰিছে। নাগালেণ্ডৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীয়ে প্ৰকাশ কৰা বিবৃতিৰ ওপৰত ভিত্তি কৰি ৩০ আগষ্টৰ পৰা ২ ছেপ্তেম্বৰ পৰ্যন্ত সকলোকে সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে।

বিশ্বনাথ জিলাৰ গহপুৰৰ কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। জিলাখনৰ পাহাৰীয়া চত্ৰং, কুকুৰজান, ব্ৰহ্মাজান, বালিজান নৈৰ জলস্তৰ বৃদ্ধি পাইছে। জিলাখনৰ বানপীড়িত লোকসকলক পৰ্যাপ্ত পৰিমাণে সাহায্য আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। বিত্ত, বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি গহপুৰৰ কেইবাটাও বান প্ৰভাৱিত অঞ্চল পৰিদৰ্শন কৰে। বানপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰি তেওঁ সকলোধৰণৰ সাহায্য প্ৰদান কৰাৰ আশ্বাস দিয়ে।

oooooo

বিশ্বনাথ জিলাৰ বিহালী অভয়াৰণ্যত কালি বন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই পৰিদৰ্শন কৰি অভয়াৰণ্যখনত এমাহৰ ভিতৰত ৫০ হেক্টৰ ভূমিত গছপুলি ৰোপণৰ কাম আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। কিছুদিন পূৰ্বে অৰুণাচলৰ একাংশ দুৰ্বৃত্তই অভয়াৰণ্যখনৰ ৪ হেক্টৰ ভূমিৰ বনাঞ্চল ধ্বংস কৰিছিল। ইয়াৰ পাছত ৰাজ্য চৰকাৰে পাৰিপাৰ্শ্বিক কৰ্মবাহিনীক বনাঞ্চলত গছপুলি ৰোপণৰ দায়িত্ব অৰ্পণ কৰে। সম্প্ৰতি প্ৰায় ২২ হেক্টৰ ভূমিত গছপুলি ৰোপণৰ কাম সম্পূৰ্ণ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

এই পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীৰ সৈতে সাংসদ ৰঞ্জিত দত্ত, জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, বিধায়ক মুনীন্দ্ৰ দাসৰ উপৰি বন বিভাগ আৰু আৰক্ষী বিভাগৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

oooooo

স্বাস্থ্য খণ্ডত প্ৰধানমন্ত্ৰীৰ ডিজিটেল ইণ্ডিয়াৰ পৰিকল্পনা বাস্তৱায়িত কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা আয়ুষ্মান ভাৰত ডিজিটেল মিছন সফলভাৱে ৰূপায়ণ কৰাৰ বাবে ডিব্ৰুগড় জিলা প্ৰশাসনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। চলিত বৰ্ষৰ ৩১ জুলাইলৈকে জিলাখনত ৯ লাখ ৯০ হাজাৰৰো অধিক ABHA আইডি

সৃষ্টি কৰা হৈছে। ইয়াৰে ২ লাখ ৬১ হাজাৰৰো অধিক আই ডি বৈদ্যুতিন  স্বাস্থ্য ৰেকৰ্ডৰ সৈতে সংযুক্ত হৈছে। ABHA আই ডিৰ জৰিয়তে আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ সুবিধাসমূহ ৰাইজক অৱগত কৰাৰ লক্ষ্যৰে জিলা স্বাস্থ্য বিভাগে ব্যাপক সজাগতা অভিযান গ্ৰহণ কৰিছে। এই অভিযানৰ অংশ হিচাপে জিলাখনৰ চাহ বাগিচা, গ্ৰামাঞ্চল আৰু চহৰাঞ্চলত আয়ুষ্মান ভাৰত ডিজিটেল মিছন আৰু  ABHA আই ডিৰ লাভালাভ সম্পৰ্কে ভিডিঅ' প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ উপৰি জিলাৰ সকলো চৰকাৰী চিকিৎসালয়, আয়ুষ্মান আৰোগ্য মন্দিৰত এই সম্পৰ্কীয় বেনাৰ, লিফলেট বিতৰণ কৰা হৈছে। চৰকাৰী চিকিৎসালয়, আয়ুষ্মান আৰোগ্য মন্দিৰসমূহত ABHA আই ডি সৃষ্টিৰ বাবে স্থায়ী কাউণ্টাৰৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

আফগানিস্তানৰ বিৰুদ্ধে খেলিবলগীয়া তিনিখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় পুৰুষ দলটো ঘোষণা কৰা হৈছে। শ্ৰেয়াছ আয়াৰে নেতৃত্ব দিবলগীয়া দলটোত তিলক বাৰ্মা উপ-অধিনায়ক হিচাপে থাকিব। দলটোৰ আনকেইগৰাকীমান খেলুৱৈ হৈছে জছপ্ৰীত বুমৰা, ৱাশ্বিংটন সুন্দৰ আৰু হৰ্ষিত ৰাণা। অহা ১৩, ১৫ আৰু ১৭ ছেপ্তেম্বৰত নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত এই শৃংখলা অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**